**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-10-2025
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে ৰাজমাতা বিজয়ৰাজে সিন্ধিয়াৰ জয়ন্তীত মহিয়সী নাৰীগৰাকীক শ্ৰদ্ধাৰে সোঁৱৰিছে।

২। জন্মু কাশ্মীৰত খালী হোৱা ৰাজ্যসভাৰ ৪ খন আসনৰ বাবে ভাৰতীয় জনতা পাৰ্টীয়ে ৩ গৰাকী প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে।

৩। কানাডাৰ বিদেশ মন্ত্ৰী অনিতা আনন্দ ৩ দিনীয়া ভ্ৰমণসূচীৰে আজি সন্ধিয়া নতুন দিল্লী পাবহি।

৪। চিচিলিচৰ বিৰোধী নেতা পেট্ৰিক হাৰ্মিনিয়ে দেশখনৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত জয়লাভ কৰিছে। ***আৰু***

৫। ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজত চলি থকা টেষ্ট শৃংখলাৰ নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত দ্বিতীয়খন টেষ্টৰ তৃতীয় দিনা বাতৰি লিখাৰ পৰলৈকে ৱেষ্ট ইণ্ডিজে নিজৰ প্ৰথম ইনিংছত এটাও উইকেট নেহেৰুৱাকৈ ১৬ ৰাণ সংগ্ৰহ কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে ৰাজমাতা বিজয়ৰাজে সিন্ধিয়াৰ জয়ন্তীত মহিয়সী নাৰীগৰাকীক শ্ৰদ্ধাৰে সোঁৱৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয় যে সমাজ সেৱাৰ বাবে ৰাজমাতাই কৰা প্ৰয়াসক কেতিয়াও পাহৰিব নোৱাৰে। জনসংঘ আৰু বিজেপি শক্তিশালী কৰাৰ ক্ষেত্ৰত শ্ৰীমতী সিন্ধিয়াই গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে ভাৰতীয় সংস্কৃতিৰ শিপাক শক্তিশালী সুৰক্ষিত আৰু আগবঢ়াই নিয়াৰ ক্ষেত্ৰতো তেওঁ উল্লেখযোগ্য যে ভূমিকা পালন কৰিছিল। ৰাষ্ট্ৰ সেৱাৰ বাবে ৰাজমাতাই নিজৰ জীৱন উচৰ্গা কৰিছিল বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এটা বাৰ্তাত কয় যে মহিলাৰ শিক্ষা আৰু স্বাস্থ্য তথা জনসাধাৰণৰ কল্যানৰ বাবে ৰাজমাতা বিজয়ৰাজে সিন্ধিয়াই অক্লান্তভাৱে কাম কৰি গৈছে। মন্ত্ৰীগৰাকীয়ে কয় যে দেশৰ জৰুৰীকালীন অৱস্থাত কাৰাগাৰত থকা সময়ছোৱাতো ৰাজমাতাই বহু কষ্ট সহ্য কৰিও গণতন্ত্ৰৰ প্ৰমূল্যক জীয়াই ৰখাৰ বাবে অক্লান্ত প্ৰয়াস কৰিছিল।

০০০০

জন্মু কাশ্মীৰত খালী হোৱা ৰাজ্যসভাৰ ৪ খন আসনৰ বাবে ভাৰতীয় জনতা পাৰ্টীয়ে ৩ গৰাকী প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। সেই অনুসৰি বিজেপিৰ প্ৰাৰ্থী হিচাপে গোলাম মহন্মদ মীৰ, ৰাকেশ মহাজন আৰু সৎপাল শৰ্মাই প্ৰতিদ্বন্দিতা কৰিব। অহা ২৪ অক্টোবৰত ৰাজ্যসভাৰ এই ৪ খন আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০

কানাডাৰ  বিদেশ মন্ত্ৰী অনিতা আনন্দ ৩ দিনীয়া ভ্ৰমণসূচীৰে আজি সন্ধিয়া নতুন দিল্লী পাবহি। তেওঁ কাইলৈ বৈদেশিক পৰিক্ৰমাৰ মন্ত্ৰী ড০ এছ্ জয়শংকৰৰ সৈতে আলোচনাত বহিব। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুছ গোৱেলকো কাইলৈ তেওঁ সাক্ষাৎ কৰিব। এই আলোচনাত দুয়োখন দেশৰ মাজত বাণিজ্য বৈচিত্ৰ্য, শক্তি ৰূপান্তৰ আৰু নিৰাপত্তাৰ দৰে বিষয়ত কৌশলগত সহযোগিতা বৃদ্ধিত আলোকপাত কৰা হ'ব। শ্ৰীমতী আনন্দ মুম্বাইলৈও যাব আৰু তাত তেওঁ দুয়োখন দেশত বিনিয়োগ, কৰ্মসংস্থাপন সৃষ্টি আৰু অৰ্থনৈতিক সুবিধা সন্দৰ্ভত দেশ দুখনৰ ব্যৱসায় প্ৰতিষ্ঠানৰ মুৰব্বীসকলৰ সৈতে মত বিনিময় কৰিব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ভাৰতত নতুনকৈ নিযুক্তিপ্ৰাপ্ত আমেৰিকাৰ ৰাষ্ট্ৰদূত ছাৰ্জিঅ' গ'ড়ক সাক্ষাৎ কৰে। সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে নতুন ৰাষ্ট্ৰদূতগৰাকীৰ কাৰ্যকালত ভাৰত, আমেৰিকাৰ দ্বিপাক্ষিক সম্পৰ্ক অধিক শক্তিশালী হ'ব বুলি আশা কৰা হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰেও নতুন দিল্লীত আমেৰিকাৰ ৰাষ্ট্ৰদূতগৰাকীক সাক্ষাৎ কৰি ভাৰত-আমেৰিকাৰ সম্পৰ্ক আৰু ইয়াৰ ফলত পৰৱৰ্তী সময়ত আহি পৰা আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ বিষয়ে আলোচনা কৰে। ড° জয়শংকৰে সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত নতুন ৰাষ্ট্ৰদূতগৰাকীৰ শুভকামনা জনোৱাৰ লগতে পৰৱৰ্তী সময়ত দেশ দুখনৰ মাজৰ সম্পৰ্ক অধিক শক্তিশালী কৰিব।

০০০০

চিচিলিচৰ বিৰোধী নেতা পেট্ৰিক হাৰ্মিনিয়ে দেশখনৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত জয়লাভ কৰিছে। তেওঁ ক্ষমতাশীল নেতা ৱাভেল ৰামকালাৱানক পৰাভূত কৰি এই নিৰ্বাচনত জয়লাভ কৰে। পেট্ৰিক হাৰ্মিনিয়ে ৫২ দশমিক ৭ শতাংশ ভোট লাভ কৰাৰ বিপৰীতে ৱাভেল ৰামাকালাৱানে ৪৭ দশমিক ৩ শতাংশ ভোট লাভ কৰে।  ইউনাইটেড চিচিলিছ পাৰ্টীৰ নেতা পেট্ৰিক হাৰ্মিনিয়ে ৪ টা দশক ধৰি দেশখনত নেতৃত্ব দিছিল। তেওঁ ২০২০ চনত ক্ষমতা হেৰুৱাই। শ্ৰীহাৰ্মিনিৰ বিজয়ৰ জৰিয়তে চৰকাৰৰ সম্পূৰ্ণ নিয়ন্ত্ৰণ ইউনাইটেড চিচিলিছ্ পাৰ্টীৰ হাতলৈ আহে। যোৱা মাহত হোৱা সাধাৰণ নিৰ্বাচনৰ প্ৰথম ৰাউণ্ডত এই দলটোৱে সংসদত সংখ্যাগৰিষ্ঠতা লাভ কৰিছে।  যাদু বিদ্যা অনুশীলনৰ অভিযোগত ২০২৩ চনত পেট্ৰিক হাৰ্মিনি গ্ৰেপ্তাৰ হৈছিল। এইবাৰৰ বিজয়ে তেওঁক এই সকলো অভিযোগৰ পৰা মুক্ত কৰিলে। তেওঁ পূৰ্বে ২০০৭ চনৰ পৰা ২০১৬ চনলৈকে দেশৰ সংসদৰ অধ্যক্ষৰ দায়িত্বত আছিল।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চিচিলিছৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত বিজয় সাব্যস্ত কৰাৰ বাবে ড° পেট্ৰিক হাৰ্মিনিক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰত মহাসাগৰৰ জলৰাশিত দুয়োখন দেশৰ ঐতিহাসিক অংশীদাৰিত্ব আছে। এই  বিষয়টোত দুয়োখন দেশৰ জনসাধাৰণৰ আশা-আকাংক্ষা আৰু প্ৰয়োজন জড়িত হৈ আছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ লগতে ভাৰত আৰু চিচিলিছৰ মাজত থকা সম্পৰ্ক দৃঢ় হ'ব বুলি আশা কৰে।

০০০০

ৰাজধানী কাবুলকে ধৰি আফগানিস্তানৰ বিভিন্ন স্থানত পাকিস্তানী বাহিনীয়ে কৰা বিমান আক্ৰমণৰ তালিবান প্ৰশাসনে যোগ্য প্ৰত্যুত্তৰ দিয়াত কমেও ১৫ জন পাকিস্তানী সৈন্য নিহত হয়। তালিবান প্ৰশাসনে  পাকিস্তানৰ বহু

সংখ্যক সৈন্যক বন্দী কৰা বুলিও বাতৰিত প্ৰকাশ পাইছে। পাকিস্তানৰ সামৰিক চকীত তালিবান বাহিনীয়ে আক্ৰমণ চলোৱাৰ পিছতে যোৱা নিশা পাকিস্তান-আফগানিস্তান সীমান্তত দুয়োপক্ষৰ মাজত তীব্ৰ সংঘৰ্ষৰ সৃষ্টি হয়। হেলমান প্ৰাদেশিক চৰকাৰৰ মুখপাত্ৰ মাওলাৱি মহম্মদ কাচিম ৰিয়াজে সংবাদমাধ্যমক জানিবলৈ দিয়া অনুসৰি সীমান্তৰ বাহৰামপুৰ জিলাৰ ডুৰাণ্ড লাইনৰ সমীপত আফগান বাহিনীয়ে চলোৱা আক্ৰমণত যোৱা নিশা ১৫ জন পাকিস্তানী সৈন্যৰ মৃত্যু হয়। এই অভিযানত আফগান বাহিনীয়ে পাকিস্তানৰ ৩ টা সামৰিক চকী দখল কৰাৰ লগতে বহু সংখ্যক অস্ত্ৰ আৰু গুলি বাৰুদ জব্দ কৰে বুলিও তেওঁ প্ৰকাশ কৰে। তালিবান প্ৰশাসনে ঘোষণা কৰিছিল যে তেওঁলোকে সীমান্তৰ ৭ টা অঞ্চলত আক্ৰমণ কৰিব। কাবুল আৰু পাকতিকা প্ৰদেশত পাকিস্তানে শেহতীয়াকৈ চলোৱা বিমান আক্ৰমণৰ প্ৰত্যুত্তৰত আফগান বাহিনীয়ে পাকিস্তানৰ হেলমান, কান্দাহাৰ, জাবুল, পাকতিকা, খোষ্ট, নানগড়হাৰ আৰু কুনাৰত থকা পাকিস্তানী সামৰিক চকীক আক্ৰমণৰ লক্ষ্য কৰি লয়। এই আটাইকেইখন প্ৰদেশেই পাকিস্তান-আফগানিস্তান সীমান্তত অৱস্থিত।

০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্প চৰকাৰী কাৰ্যসূচীৰে আজি ইজৰাইল আৰু ইজিপ্তলৈ যাব। ইজিপ্তত শ্ৰীট্ৰাম্পে দেশখনৰ সংসদত ভাষণ দিয়াৰ লগতে গাজা শান্তি চুক্তি স্বাক্ষৰ কাৰ্যসূচীটো ভাগ লব। উল্লেখযোগ্য যে ইজৰাইল আৰু হামাচৰ মাজত যুদ্ধবিৰতি ঘোষণা হোৱাৰ পাছত শ্ৰীট্ৰাম্পৰ এয়া প্ৰথম ইজৰাইল ভ্ৰমণ। গাজা শান্তি চুক্তি প্ৰথম পৰ্যায়ৰ ৰূপায়ণৰ সময়ত শ্ৰীট্ৰাম্পৰ যথেষ্ট গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। ইজৰাইল ভ্ৰমণ সামৰি শ্ৰীট্ৰাম্প ইজিপ্তলৈ যাব। ইজৰাইলত হামাচ গোটৰ নিৰস্ত্ৰীকৰণকে ধৰি ২১ দফীয়া গাজা শান্তি চুক্তি স্বাক্ষৰ হৈছিল। দেশখনৰ **শৰ্ম-অল-শ্বেখ** চহৰত কাইলৈ এখন শান্তি সন্মিলন অনুষ্ঠিত হ'ব। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰোঁ আৰু ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী ছাৰ কিৰ ষ্টাৰমাৰেও এই সন্মিলনত ভাগ লব।

০০০০

পশ্চিমবংগৰ দুৰ্গাপুৰৰ এখন ব্যক্তিগত চিকিৎসা মহাবিদ্যালয়ত এম বি বি এছৰ দ্বিতীয় বৰ্ষৰ এগৰাকী ছাত্ৰীক দলবদ্ধ ধৰ্ষণ গোচৰত আৰক্ষীয়ে ৩ জন লোকক গ্ৰেপ্তাৰ কৰিছে। গ্ৰেপ্তাৰ কৰা আটাইকেইজন লোক বিজৰা গাওঁৰ। আমাৰ সংবাদদাতাই জনোৱা মতে লোককেইজনক আজি আদালতত হাজিৰ কৰোৱা হয়। এই ঘটনাত অভিযুক্তক গ্ৰেপ্তাৰ কৰাৰ বাবে বিজৰা গাওঁ আৰু দাতিকাষৰীয়া অঞ্চলতসমূহত ব্যাপক তালাচী অভিযান অব্যাহত আছে। আৰক্ষীৰ কেইবাটাও দলে ড্ৰোনৰ সহায়ত অভিযান চলোৱাৰ লগতে ভুক্তভোগী ছাত্ৰীগৰাকীৰ ৩ জন বন্ধুক সোধা পোচা কৰি থকা হৈছে। তেওঁলোকক ইতিমধ্যে গ্ৰেপ্তাৰ কৰা হৈছে।

০০০০

ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজত চলি থকা টেষ্ট শৃংখলাৰ নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত দ্বিতীয়খন টেষ্টৰ তৃতীয় দিনা বাতৰি লিখাৰ পৰলৈকে ৱেষ্ট ইণ্ডিজে নিজৰ প্ৰথম ইনিংছত এটাও উইকেট নেহেৰুৱাকৈ ১৬ ৰাণ সংগ্ৰহ কৰিছে।

উল্লেখযোগ্য যে, ভাৰতে ইয়াৰ পূৰ্বে ৫টা উইকেট হেৰুৱাই ৫১৮ ৰান কৰি নিজৰ প্ৰথম ইনিংছ ঘোষণা কৰিছিল।

০০০০

মহিলা বিশ্বকাপ ক্রিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি ভাৰত-অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। বিশাখাপট্টনমৰ এ চি এ-ভি ডি চি এ ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া খেলখন বিয়লি ৩ বজাত আৰম্ভ হ'ব। কালি নিশা কলম্বোৰ আৰ প্ৰেমদাছা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ইংলেণ্ডে শ্ৰীলংকাক ৮৯ ৰানত পৰাস্ত কৰে। এই জয়েৰে ইংলেণ্ড প্ৰতিযোগিতাখনত একেৰাহে তৃতীয়খনত খেলত অপৰাজিত হৈ ৰয়। খেলখনত ইংলেণ্ডে প্ৰথমে বেট ধৰি শ্ৰীলংকাক ২৫৪ ৰানৰ বিজয় লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। প্ৰত্যুত্তৰত শ্ৰীলংকাই ৪৫ অভাৰ ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৬৪ ৰানহে সংগ্ৰহ কৰিবলৈ সক্ষম হয়। ইংলেণ্ডৰ হৈ ছফি এক্লেষ্টনে চাৰিটা উইকেট, নেট স্কাইভাৰ ব্ৰান্ত আৰু ছাৰ্লট ডিনে দুটাকৈ উইকেট সংগ্ৰহ কৰে।

০০০০

আমিনগাঁৱত অনুষ্ঠিত বি ডব্লিঅ' এফ বিশ্ব জুনিয়ৰ বেডমিণ্টন ছেম্পিয়নশ্বিপৰ দলীয় শাখাৰ ফাইনেল খেলত কালি ইণ্ডোনেছিয়াক ২-০ পোনপটীয়া ছেটত হৰুৱাই চীনে নতুন ছেম্পিয়নৰ খিতাপ দখল কৰে। ভাৰতে প্ৰথমবাৰৰ বাবে বি ডব্লিঅ' এফ বিশ্ব জুনিয়ৰ বেডমিণ্টন ছেম্পিয়নশ্বিপৰ ছেমি ফাইনেলত প্ৰৱেশ কৰি ব্ৰঞ্জৰ পদক লাভ কৰে। খেলৰ অন্তত বেডমিণ্টন ফেডাৰেছন অৱ ইণ্ডিয়াৰ সভাপতি তথা অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ছেম্পিয়ন দল চীনক বঁটা প্ৰদান কৰে।

০০০০

সমাপ্ত